# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 26-05-2024

**Time :** 19:10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। দেশত লোকসভা নিৰ্বাচনৰ সপ্তম পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে।

২। পশ্চিমবংগ চৰকাৰে ৰেমল নামৰ ঘূৰ্ণী বতাহজাকৰ প্ৰতি লক্ষ্য ৰাখি প্ৰয়োজনীয় সাহায্য আৰু পুনৰ সংস্থাপনৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

৩। কেন্দ্ৰীয় চৰকাৰে দূৰ সংযোগ সেৱা প্ৰদানকাৰী কোম্পানীসমূহক আন্তঃৰাষ্ট্ৰীয় ভুৱা ক'ল বন্ধ কৰাৰ বাবে নিৰ্দেশনা জাৰি কৰিছে।

৪। দিল্লীৰ উপ ৰাজ্যপাল ভি কে ছাক্সেনাই ৰাষ্ট্ৰীয় ৰাজধানীৰ এখন শিশু চিকিৎসালয়ত হোৱা শোকাৱহ অগ্নিকাণ্ডৰ ঘটনাৰ তদন্তৰ বাবে দিল্লীৰ মুখ্য সচিবক নিৰ্দেশ দিছে।

*আৰু*

৫। ছানৰাইজাৰ্ছ হায়দৰাবাদ আজি চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত  কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

0000000

দেশত লোকসভা নিৰ্বাচনৰ সপ্তম পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণৰ পূৰ্বে বিভিন্ন দলৰ নেতাসকলে ভোটদাতাৰ মন জয় কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলোৱা পৰিলক্ষিত হৈছে।

উত্তৰ প্ৰদেশত  সপ্তম তথা অন্তিম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান তুংগত উঠা পৰিলক্ষিত হৈছে। বিভিন্ন ৰাজনৈতিক দলৰ তাৰক প্ৰচাৰকসকলে নিজ নিজ দলৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰত ভাগ লৈছে।

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰ প্ৰদেশৰ মিৰ্জাপুৰ, মাও আৰু বন্সগাঁৱত জনসভাক সম্বোধন কৰে। তেওঁ কয় যে, দেশে বিজেপি-এন ডি এ চৰকাৰৰ সু অভিপ্ৰায় আৰু নীতিসমূহৰ বাবে তৃতীয়টো কাৰ্যকালৰ বাবে পুনৰ একেই চৰকাৰ গঠনৰ সিদ্ধান্ত লৈছে। শ্ৰীমোদীয়ে এই বুলি দাবী কৰে যে, তেওঁ দেশৰ দৰিদ্ৰ, দলিত আৰু পিছপৰা লোকসকলৰ বাবে সমৰ্পিত। তেওঁ আৰু কয় যে, অনুসূচিত জাতি, অনুসূচিত জনজাতি, অন্যান্য পিছপৰা শ্ৰেণী তথা অন্যান্য অৱহেলিত লোকসকলৰ বাবে থকা সংৰক্ষণ ধৰ্মৰ ভিত্তিত মুছলমানসকলক দিয়া নহ'ব। যোগী চৰকাৰৰ অধীনত মাফিয়াসকলৰ বিৰুদ্ধে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে।

উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা যোগী আদিত্যনাথে আজি দলীয় প্ৰাৰ্থীৰ সমৰ্থনত মিৰ্জাপুৰ, চান্দৌলি, গাজিপুৰ আৰু গৌৰখপুৰত কেইবাখনো জনসভাক সম্বোধন কৰে। শ্ৰীযোগীয়ে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ

মোদীৰ নেতৃত্বত এখন নতুন ভাৰত প্ৰত্যক্ষ কৰিব পৰাতো আমাৰ বাবে পৰম সৌভাগ্য। তেওঁ কয় যে, দেশ গোলকীয় শক্তিৰ দিশে আগবাঢ়িছে আৰু ১০ বছৰত দেশৰ সীমান্ত সম্পূৰ্ণ ৰূপে সুৰক্ষিত হিচাপে গঢ়ি তোলা হৈছে।

সমাজবাদী পাৰ্টীৰ মুৰব্বী অখিলেখ যাদৱে আজি চালেমপুৰ আৰু বল্লিয়াত নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে। তেওঁ কয় যে, আজিৰ জনসাধাৰণ মুদ্ৰাস্ফীতিৰ বৰ্ধিত হাৰ আৰু নিবনুৱা সমস্যাক লৈ যথেষ্ট ক্ষোভিত হৈ আছে। বিজেপিৰ কাৰ্যকালত খেতিয়কসকলৰ আয় দুগুণলৈ বৃদ্ধি কৰা হ'ব বুলি কৰা ভুৱা প্ৰতিশ্ৰুতিৰে দেশৰ কৃষকসকলক ঠগি আহিছে বুলি তেওঁ মন্তব্য কৰে। তেওঁ এই বুলিও দাবী কৰে যে, বিজেপিৰ কাৰ্যকালত ডাঙৰ ডাঙৰ গৃহ নিৰ্মাণৰ বাবে লোৱা ২৫ লাখ কোটি টকাৰ ঋণ ৰেহাই দিয়া হৈছে কিন্তু আই এন ডি আই মিত্ৰজোঁট ক্ষমতালৈ আহিলে খেতিয়কসকলৰ ঋণ ৰেহাই দিয়া হ'ব।

কংগ্ৰেছৰ মুখপাত্ৰ পৱন খেড়াই আজি বাৰাণসীত এখন সংবাদমেল সম্বোধন কৰি কয় যে, চৰকাৰে দেশৰ কৃষক সম্প্ৰদায়ক ভুৱা প্ৰতিশ্ৰুতিৰে ঠগি আহিছে বুলি আজিৰ কৃষকসকলে অনুভৱ কৰিবলৈ লৈছে।

০০০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে এই বুলি দাবী কৰিছে যে, তেওঁৰ চৰকাৰে চলিত লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়লৈকে ৩১০ খন আসনৰ সংখ্যা পাৰ কৰিছে আৰু দুটা পৰ্যায়ৰ পৰা দলে এন ডি এৰ সহযোগী মিত্ৰজোঁটৰ সৈতে ৪০০ৰো অধিক আসন লাভ কৰিবলৈ সক্ষম হ'ব। বিহাৰৰ কাৰাকাটত আজি এটা ৰেলীক সম্বোধন কৰি শ্ৰীশ্বাহে কাৰাকাট সমষ্টিৰ আসনকনৰ বাবে এন ডি এ প্ৰাৰ্থীৰ সমৰ্থনত ভোট দিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়। তেওঁ কয় যে, এন ডি এ প্ৰাৰ্থীৰ সমৰ্থনত দিয়া প্ৰতিটো ভোটেই শ্ৰীমোদীক পুনৰ প্ৰধানমন্ত্ৰী হোৱাত সহায় কৰিব। বিহাৰত সাতোটা পৰ্যায়তে লোকসভা নিৰ্বাচন অনুষ্ঠিত হৈছে। ৰাজ্যখনৰ কাৰাকাট আসনখনৰ বাবে সপ্তম তথা অন্তিম পৰ্যায়ত অহা পহিলা জুনত ভোটগ্ৰহণ কৰা হ'ব। ৪ জুনত ভোটগণনা কৰা হ'ব।

০০০০০০০

পশ্চিমবংগ চৰকাৰে ৰেমল নামৰ ঘূৰ্ণী বতাহজাকৰ প্ৰতি লক্ষ্য ৰাখি প্ৰয়োজনীয় সাহায্য আৰু পুনৰ সংস্থাপনৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে কৈছে যে, উত্তৰ বংগোপসাগৰত সৃষ্টি হোৱা ৰেমল নামৰ ঘূৰ্ণী বতাহজাক পশ্চিমবংগৰ সাগৰ দ্বীপপুঞ্জৰ পৰা প্ৰায় ২৭০ কিলোমিটাৰ দক্ষিণ-দক্ষিণ পূৱত প্ৰচণ্ড ঘূৰ্ণী বতাহলৈ ৰূপান্তৰিত হৈছে। বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা মতে বতাহজাক উত্তৰ দিশলৈ গতি কৰিব আৰু প্ৰতিঘণ্টাত ১১০ৰ পৰা ১৩৫ কিলোমিটাৰ বেগেৰে আজি মাজনিশালৈ বাংলাদেশৰ খেপোপাৰা আৰু পশ্চিমবংগৰ সাগৰ দ্বীপপুঞ্জত খুন্দা মৰাৰ সম্ভাৱনা আছে।

ইয়াৰ বাবে ৰাজ্যৰ সচিবালয়ত এটা বিশেষ নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হৈছে। ইফালে আৰক্ষীৰ মুখ্য কাৰ্যালয়ত সম্ভাব্য দুৰ্যোগ প্ৰতিহত কৰাৰ বাবে এটা সংহত নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হৈছে।

ইপিনে, কোলকাতা বিমান বন্দৰ কৰ্তৃপক্ষই ঘূৰ্ণী বতাহজাকৰ সম্ভাব্য প্ৰভাৱলৈ চাই আজি দুপৰীয়াৰ পৰা ২১ ঘণ্টাৰ বাবে বিমানৰ চলাচল বন্ধ ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ভাৰতীয় বিমান বন্দৰ প্ৰাধিকৰণৰ মুখপাত্ৰই প্ৰকাশ কৰা মতে, এই সময়ছোৱাত বন্দৰটোৰ পৰা অহা যোৱা কৰা ৩৯৪ খন ঘৰুৱা আৰু আন্তঃৰাষ্ট্ৰীয় বিমানৰ সেৱা বন্ধ থাকিব। ইতিমধ্যে ভাৰতীয় নৌবাহিনীয়ে তাৎক্ষণিক আৰু প্ৰয়োজনীয় সাহায্য প্ৰদানৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। ভাৰতীয় নৌ বাহিনীয়ে ক্ষতিগ্ৰস্ত লোকৰ সাহায্যৰ বাবে দুৰ্যোগ সাহায্য সঁহাৰি আৰু চিকিৎসা সা-সঁজুলি তথা মানৱীয়

সাহায্যসহ দুখন জাহাজ সাজু কৰি ৰাখিছে। ইয়াৰ লগতে প্ৰয়োজনীয় তাৎক্ষণিক সাহায্য প্ৰদানৰ বাবে কলকাতা আৰু বিশাখাপট্টনমত গভীৰ পানীত জাঁপ মাৰিব পৰা বিশেষ দল সাজু কৰি ৰখা হৈছে।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰে দূৰ সংযোগ সেৱা প্ৰদানকাৰী কোম্পানীসমূহক আন্তঃৰাষ্ট্ৰীয় ভুৱা ক'ল বন্ধ কৰাৰ বাবে নিৰ্দেশনা জাৰি কৰিছে। এখন বিজ্ঞপ্তিত যোগাযোগ মন্ত্ৰালয়ে কয় যে, আন্তঃৰাষ্ট্ৰীয় ভুৱা কল কৰা লোকসকলে দেশৰ নাগৰিকসকলক ভাৰতৰ ফোন নম্বৰ দেখুৱাই চাইবাৰ অপৰাধ আৰু বিত্তীয় খেলি-মেলি সংঘটিত কৰি আহিছে। এই ফোন কলসমূহ ভাৰতৰ পৰা কৰা দেখুৱাই যদিও চাইবাৰ অপৰাধীসকলে বিদেশৰ পৰা এই কলসমূহ কৰি আহিছে। মন্ত্ৰালয়ে কৈছে যে, এইসমূহ বৰ্তমান সময়ত ডিজিটেল গ্ৰেপ্তাৰ ফেড এক্স জালিয়াতি, ড্ৰাগছৰ কুৰিয়াৰ, চৰকাৰী আৰু আৰক্ষী বিষয়াৰ অনুকৰণ, মোবাইল সংযোগ আদি বিভিন্ন কাৰণত ব্যৱহাৰ কৰি আহিছে। উল্লেখযোগ্য যে, যোগাযোগ বিভাগ আৰু দূৰ সংযোগ সেৱা প্ৰদানকাৰী কোম্পানীসমূহে আন্তঃৰাষ্ট্ৰীয় ভুৱা কল বন্ধ কৰাৰ বাবে এটা বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০০০

দিল্লীৰ উপ ৰাজ্যপাল ভি কে ছাক্সেনাই ৰাষ্ট্ৰীয় ৰাজধানীৰ এখন শিশু চিকিৎসালয়ত হোৱা শোকাৱহ অগ্নিকাণ্ডৰ ঘটনাৰ তদন্তৰ বাবে দিল্লীৰ মুখ্য সচিবক নিৰ্দেশ দিছে। শ্ৰীছাক্সেনাই দিল্লীৰ আৰক্ষী আয়ুক্তক সকলো ধৰণৰ প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে। তেওঁ লগতে নিহত শিশুসকলৰ পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে সম্ভাব্য সকলো ধৰণৰ সাহায্য প্ৰদান কৰাৰ আশ্বাস প্ৰদান কৰিছে। শ্ৰীছাক্সেনাই লগতে এই ঘটনাৰ বাবে দোষী সাব্যস্ত হোৱা লোকৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ নিশ্চয়তা প্ৰদান কৰিছে।

০০০০০০০

কেবিনেটৰ নিযুক্তি সমিতিয়ে সেনা বাহিনীৰ মুৰববী জেনেৰেল মনোজ পাণ্ডেৰ কাৰ্যকাল এমাহৰ বাবে অৰ্থাৎ অহা ৩০ জুনলৈকে বৃদ্ধি কৰাৰ বাবে অনুমোদন দিছে। চলিত মাহৰ ৩১ তাৰিখে অৱসৰ গ্ৰহণ কৰিব লগা পাণ্ডেৰ কাৰ্যকাল বৃদ্ধি কৰা হৈছে। ২০২২ চনৰ ৩০ এপ্ৰিলত তেওঁক সেনা বাহিনীৰ মুৰববী হিচাপে নিযুক্তি দিয়া হৈছিল। শ্ৰীপাণ্ডেই ১৯৮২ চনৰ ডিচেম্বৰত ইঞ্জিনিয়াৰিং ক'ৰত নিযুক্তি লাভ কৰিছিল।

০০০০০০০

পাপুৱা নিউগিনিত হোৱা ভয়ংকৰ ভূমিস্ফলনত প্ৰায় ৬৭০ গৰাকী লোক মাটিৰ তলত পোত যোৱা বুলি ৰাষ্ট্ৰসংঘৰ বিষয়াই প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, যোৱা শুকুৰবাবে স্থানীয় সময় অনুসৰি পুৱতি নিশা প্ৰায় ৩ মান বজাত ৰাজধানী চহৰ পোৰ্ট মৰেছবিৰ পৰা প্ৰায় ৬০০ কিলোমিটাৰ উত্তৰ-পশ্চিমৰ এংগা প্ৰদেশৰ কাউকলমৰ এখন ভিতৰুৱা গাঁৱত এই দুৰ্যোগ সংঘটিত হোৱাৰ সময়ত অঞ্চলটোৰ লোকসকল নিদ্ৰাৰত অৱস্থাত আছিল। পাপুৱা নিউগিনিত প্ৰব্ৰজনৰ বাবে থকা আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ মুৰববী শ্বেহৰান এক্টোপ্ৰাকে কৈছে যে, এই ভূমিস্খলনত হোৱা ক্ষয়-ক্ষতিৰ প্ৰভাৱ প্ৰাথমিক অৱস্থাত ধাৰণা কৰাতকৈ বহু অধিক। এই ঘটনাত ডেৰশৰো অধিক গৃহ মাটিৰ তলত পোত যোৱা বুলি আশংকা কৰা হৈছে।

০০০০০০০

অলিম্পিকত দুবাৰ পদক বিজেতা ভাৰতৰ পি ভি সিন্ধু কোৱালালামপুৰত অনুষ্ঠিত মালয়েছিয়া মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ ফাইনেলত পৰাজিত হৈছে। প্ৰতিযোগিতাৰ ফাইনেলত চীনৰ ঝি য়ি ৱাঙৰ বিৰুদ্ধে ২১-১৬, ৫-২১ আৰু ১৬-২১ ফলাফলত পৰাজিত হয়।

০০০০০০০

ছানৰাইজাৰ্ছ হায়দৰাবাদ আজি চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। ছানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰতিযোগিতাৰ দ্বিতীয়খন কোৱালিফায়াৰ খেলত ৰাজস্থান ৰয়েলছক ৩৬ ৰানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে কলকাতা নাইট ৰাইডাৰ্ছে প্ৰথমখন কোৱালিফায়াৰ খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদক পৰাভূত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে।

০০০০০০০

**সমাপ্ত**